জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭১/২০২০

# বিশিষ্ট ৰাজনীতিবিদ, প্ৰাক্তন বিধায়ক হাবুল চক্ৰৱৰ্তীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৬ ফেব্ৰুৱাৰী ঃ** বিশিষ্ট ৰাজনীতিবিদ, প্ৰাক্তন বিধায়ক হাবুল চক্ৰৱৰ্তীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত হাবুল চক্ৰৱৰ্তীয়ে আমাৰ ৰাজনৈতিক, সামাজিক আৰু সমাজ জীৱনলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত হাবুল চক্ৰৱৰ্তীয়ে ঢেকিয়াজুলি সমষ্টিৰ বিধায়ক হিচাপে সমষ্টিটোৰ উন্নয়নৰ ক্ষেত্ৰতো বলিষ্ঠ ভূমিকা পালন কৰি গৈছে। ঢেকিয়াজুলি চহৰৰ পৌৰপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰা প্ৰয়াত চক্ৰৱৰ্তীয়ে চহৰখনৰ উন্নয়নৰ দিশতো সবল পদক্ষেপ গ্ৰহণ কৰি গৈছে। প্ৰয়াত হাবুল চক্ৰৱৰ্তীয়ে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত থাকি সেই অনুষ্ঠান-প্ৰতিষ্ঠান সমূহৰ উত্তৰণৰ দিশতো সক্ৰিয় ভূমিকা পালন কৰি গৈছে। তেখেতৰ মৃত্যু ৰাজনৈতিক তথা সামাজিক জীৱনৰ বাবে অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত হাবুল চক্ৰৱৰ্তীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / প্ৰঃবঃ**
**১৬/০২/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in